# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-07-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে সোণাপুৰত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে বিজেপিৰ চিন্তন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত ২০২৬ চনৰ নিৰ্বাচনত দলে কিদৰে আগবাঢ়িব সেই বিষয়ে পুংখানুপুংখভাৱে আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসমৰ দায়িত্বত থকা দলৰ নেতা হৰিশ দ্বিবেদী প্ৰমুখ্যে ভালেসংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে।

০০০০

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত গোলাপ বৰবৰাই ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক জীৱনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে জয়ন্তীৰ শতবৰ্ষৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰে এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰিছে। এই স্মৃতি গ্ৰন্থৰ বাবে জনসাধাৰণক তেওঁলোকৰ হাতত থাকিব পৰা গোলাপ বৰবৰাৰ ফটোগ্ৰাফ, প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ দ্বাৰা লিখিত বা তেওঁক সম্বোধন কৰা চিঠি-পত্ৰ আৰু তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ সৈতে জৰিত অন্য প্ৰাসংগিক নথি-পত্ৰ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হৈছে। জনসাধাৰণে borborasouvenir@gmail.com ত ৩১ জুলাই বা তাৰ পূৰ্বে প্ৰেৰণ কৰিব পাৰিব।

০০০০

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত প্ৰথমবাৰৰ বাবে তৃণভূমি পক্ষীৰ জৰীপ সম্পন্ন হৈছে। জৰীপত ৰাষ্ট্ৰীয় উদ্যানখনত বেংগল ফ্লৰিকানৰ লগতে ৪৩ বিধ ভিন্ন প্ৰজাতিৰ তৃণভূমি পক্ষীৰ বিচৰণৰ তথ্য লাভ কৰা হৈছে। উদ্যানখনত বিপন্ন প্ৰজাতিৰ টোকোৰা চৰাইৰ জাকো দেখিবলৈ পোৱা হৈছে। জৰীপৰ প্ৰতিবেদনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ তৃণভূমিসমূহত বসবাস কৰা এটা বিপন্ন প্ৰজাতিৰ, দুটা বিপদাগ্ৰস্ত প্ৰজাতিৰ আৰু ছটা সংকাটাপন্ন প্ৰজাতিৰ চৰাই পোৱা বুলি উল্লেখ কৰা হৈছে। ইয়াৰ ফলত তৃণভূমি চৰাইৰ বিবিধতাৰ ক্ষেত্ৰত কাজিৰঙা অন্যতম বুলি পৰিগণিত হৈছে।

০০০০

অৰুণাচল প্ৰদেশত হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত ধেমাজি জিলাৰ গাই নদী ফেনে ফোটোকাৰে বাঢ়িছে আৰু নৈখনৰ বাঢ়নি পানীয়ে জিলাখনৰ বৃহত্তৰ অঞ্চল জলমগ্ন কৰি তুলিছে। এই বানত ধেমাজিৰ পৰা বগীবিল সংযোগী আমগুৰি পথত থকা এখন পকী দলঙৰ এটা মূৰ খহাই নিয়াত পথছোৱাৰে যাতায়াত ব্যৱস্থা বন্ধ হৈ পৰিছে। বানৰ ফলত জিলাখনৰ শ্ৰীপানী, নিলখ, বেতনিপাম আৰু আমগুৰি পঞ্চায়তৰ বৃহৎ অংশ জলমগ্ন হোৱাৰ লগতে সাপেখাটী, আটকাই, হাতীগড় আদি অঞ্চলৰ বৃহত্তৰ কৃষিভূমি জলমগ্ন হৈ পৰিছে। ইফালে, জোনাইতো ৰায়াং নদীৰ প্ৰলংয়কাৰী বানে নৈৰ এটা বান্ধ চিঙি পেলোৱাৰ ফলত কেইবাখনো গাঁও বানৰ কবলত পৰে।

০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয়, অসম আৰু এটা বেচৰকাৰী সংস্থাৰ সহযোগত আজি লখিমপুৰ, মাজুলী আৰু ধেমাজিৰ সংবাদকৰ্মীসকলৰ মাজত লখিমপুৰ জিলাত ড্ৰাগছ্ সম্বন্ধীয় এখন আলোচনাচক্ৰৰ আয়োজন কৰা হয়। ড্ৰাগছৰ চাহিদা হ্ৰাসৰ বাবে ৰাষ্ট্ৰীয় ক্ৰিয়াশীল পৰিকল্পনাৰ অধীনত ছপা আৰু সংবাদ মাধ্যমৰ ব্যক্তিসকলৰ মাজত সামৰ্থ বিকাশ কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। এই আলোচনাচক্ৰত লখিমপুৰ জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নয়নমণি বৰ্মন, ইটানগৰত অৱস্থিত ৰাষ্ট্ৰীয় অপৰাধ শাখাৰ অধীক্ষক তুলিকা মৰাণ আৰু জাগৃতি বেচৰকাৰী সংস্থাৰ সম্পাদক গৌতম কুমাৰ শইকীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০

যোৰহাট স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ উজনি অসমৰ অতিৰিক্ত সঞ্চালক ডাঃ অলকানন্দ নাথ আৰু যুটিয়া সঞ্চালক ডাঃ ভাৰতী বৰকাকতিৰে গঠিত এটা ৰাজ্যিক দলে আজি যোৰহাট জিলা ভ্ৰমণ কৰি জাপানীজ এনকেফেলাইটিছ্ ৰোগৰ প্ৰাদুৰ্ভাৱৰ পৰ্যালোচনা কৰে। দলটোৱে এই ৰোগত ৰোগীৰ মৃত্যুৰ হাৰ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ সন্দৰ্ভত যোৰহাট জিলা আয়ুক্ত জয় শিৱানী আৰু অতিৰিক্ত জিলা আয়ুক্তৰ সৈতে আলোচনাত মিলিত হয়। জাপানীজ এনকেফেলাইটিছ্ ৰোগত আক্ৰান্ত যোৰহাট জিলাৰ বিভিন্ন অঞ্চল আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয় ভ্ৰমণৰ সময়ত ৰাজ্যিক দলটোৰ সৈতে জিলা নিৰীক্ষণ বিষয়া আৰু জিলা ৰোগ পৰামৰ্শদাতাও উপস্থিত থাকে।

০০০০

যোৰহাট জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত যোৰহাট জিলাৰ তিতাবৰৰ সীমান্ত অঞ্চলৰ বছাবাৰী চাহ বাগিচাত আজি এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাত বাল্য বিবাহ, কিশোৰীৰ গৰ্ভধাৰণ আৰু মাদকদ্ৰব্যৰ অপব্যৱহাৰৰ দৰে বিষয়সমূহৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি আলোচনা কৰা হয়। এই অনুষ্ঠানত জিলা শিশু সুৰক্ষা আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ বিভাগৰ বিষয়াসকলে এই সামাজিক ব্যাধিসমূহৰ বিৰুদ্ধে সজাগতা আৰু সামুহিক ব্যৱস্থা গ্ৰহণৰ বিষয়ে ৰাইজক অৱগত কৰে।

০০০০

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ অন্তৰ্গত বৈঠালাংছ'ৰ যুৱক চেছংকিৰি টিমুঙে ৰাজ্য চৰকাৰৰ কাৰিকৰী বিভাগৰ প্ৰৱক্তা হিচাপে নিযুক্তি লাভ কৰিছে। ডিফু পলিটেকনিক প্ৰতিষ্ঠানৰ প্ৰৱক্তা হিচাপে নিযুক্তি লাভ কৰা টিমুঙৰ এই সফলতাত বিভিন্ন দল-সংগঠনে আদৰণি জনাইছে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ত আজি নিচাজাতীয় দ্ৰব্যসহ এজন লোকক আৰক্ষীয়ে আটক কৰে। স্থানীয় ৰাইজৰ সহযোগত আৰক্ষীয়ে আটক কৰিবলৈ সমৰ্থ হোৱা লোকজন জগত মণ্ডল বুলি জানিব পৰা গৈছে। দীৰ্ঘদিন ধৰি মাদকদ্ৰব্য সৰবৰাহৰ সৈতে জড়িত মণ্ডলৰ পৰা আৰক্ষীয়ে মাদকদ্ৰব্য ভৰ্তি দুটা কণ্টেইনাৰ জব্দ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ

৪৪৪৪৪৪৪৪